DAILY ASSAM

## পাঠ - ১৩

# শিৱসাগৰলৈ যাত্ৰা

H2S5Z2

মিলি আৰু জিণ্টুৱে মাকৰ সৈতে গুৱাহাটীৰ পল্টনবজাৰত থকা ৰে'লষ্টেচনত পুৰা ৰৈ আছে। সিহঁতৰ বৰ স্ফূৰ্তি। অলপ সময়ৰ পাছতে সিহঁত ৰে'লেৰে শিৱসাগৰলৈ যাব। তাত সিহঁতৰ আইতাকৰ ঘৰ।




ৰে'ল ষ্টেচনত মাকৰ সৈতে মিলি আৰু জিণ্টু

সময়ত সিহঁত শিৱসাগৰত থকা মামাকৰ ঘৰ পালেহি। আইতাকে সিহঁত অহালৈ বাট চাই আছিল। মিলি-জিণ্টুৱে পদূলিৰপৰা দৌৰি বাৰান্দা পালেগৈ। বাৰান্দাতে ৰৈ থকা আইতাকক ভৰি চুই সেৱা কৰিলে আৰু উৎসাহেৰে ক'লে — 'আইতা আমাৰ স্কুলৰ গৰম বন্ধ হোৱা বাবে বহুদিন তোমাৰ লগতে থাকিব পাৰিম। তুমি কিন্তু আমাক সদায় সাধু শুনাব লাগিব দেই।'

আইতা— হ'ব বাৰু। এতিয়া তোমালোকে জিৰণি লোৱা।

পাছদিনাখন পুৱা জলপান খাই মিলি আৰু জিণ্টু আইতাকৰ ওচৰলৈ গ'ল।

আইতা— তোমালোকৰ যোৱাকালিৰ ৰে'লৰ যাত্ৰাটো কেনে আছিল কোৱাচোন?




ৰে'ল ষ্টেচনৰ সময়সূচী


মিলি-জিণ্টু — শুনা আইতা, আমি প্ৰথমে ৰে'ল ষ্টেচনলৈ আহিলোঁ। ষ্টেচনত উপস্থিত হৈ আমি ৰে'লৰ সময়সূচীখন চালোঁ। সময়সূচীখন চাই বুজিব পাৰিলোঁ যে - আমি উঠিবলগীয়া ৰে'লখন যাবলৈ মাত্ৰ ৫০ মিনিট সময়হে বাকী আছে। ৰে'লখন সময়মতে নাপামগৈ বুলি আমি চিন্তিত হৈছিলোঁ। কাৰণ, সময়সূচীখনত লিখা আছিল যে যদিহে আপুনি সঘনাই ৰে'লত যোৱা যাত্ৰী নহয়, তেন্তে আপোনাৰ ৰে'লখনৰ নিৰ্ধাৰিত সময়তকৈ ৪৫ ৰ পৰা ৬০ মিনিট আগতে আপুনি ৰে'ল ষ্টেচনত উপস্থিত হোৱাটো দৰকাৰ। অৱশ্যে আমি কোনো সমস্যাৰ সন্মুখীন হ'ব লগা নহ'ল।



মায়ে লৰালৰিকৈ টিকট কাউণ্টাৰলৈ গৈ টিকটকেইটা সংগ্ৰহ কৰি আনিলে। টিকট সংগ্ৰহৰ পাছত আমি আটায়ে ৰে'লখনত উঠিলো। নিৰ্দিষ্ট সময়ত ৰে'লখনে যাত্ৰা আৰম্ভ কৰিলে। ৰে'লখন চলিবলৈ আৰম্ভ কৰাৰ লগে লগে আমি উৎফুল্লিত হৈ পৰিলোঁ। খিৰিকীৰে দেখিলো ধুনীয়া ধুনীয়া শস্যৰ পথাৰ, হাবি-বননি, পাহাৰ আদি। কিছু সময়ৰ পিছত টিকট কালেক্টৰ আহি আমাৰ টিকটসমূহ পৰীক্ষণ কৰিলে। তেনেদৰেই ৰে'লেৰে যাত্ৰা কৰি আমি তোমাৰ ওচৰ পালোহি।

আইতা — তোমালোকে বাৰু গুৱাহাটীৰপৰা শিৱসাগৰলৈ ৰে'লেৰে আহোঁতে কি কি ষ্টেছন পাৰ হৈ আহিলা?

মিলি — আমি গুৱাহাটীৰ পল্টন বজাৰত থকা ৰে'লষ্টেচনত ৰে'লত উঠি জাগীৰোড, চাপৰমুখ, হোজাই, লংকা, লামডিং, ডিফু, ডিমাপুৰ, বোকাজান, ফৰকাটিং, তিতাবৰ, মৰিয়নি, আমগুৰি, শিমলুগুৰি ষ্টেচন পাৰ হৈ শিৱসাগৰ ষ্টেচন পালোঁহি। আইতা, প্ৰতিটো ষ্টেচনত নামফলকত ডাঙৰ ডাঙৰকৈ ষ্টেছনটোৰ নাম লিখা থাকে। ষ্টেছনৰ পৰা আমি অট'ৰিক্সাৰে তোমালোকৰ ঘৰ পালোহি।



আইতা — তোমালোকে আজি-কালি যাতায়াত আৰু যোগাযোগৰ ব্যৱস্থা বহুত দেখিছাহঁক। কিন্তু আমাৰ দিনত এঠাইৰপৰা আন এঠাইলৈ যাবলৈ হ'লে প্ৰায় খোজকাঢ়িয়েই যাব লগা হৈছিল। কেতিয়াবা অৱশ্যে গৰু গাড়ী, ঘোঁৰাগাড়ী আদিত উঠিও অহা-যোৱা কৰা হৈছিল। নৈৰ পাৰ হ'বলৈ

DAILY ASSAM

নাওখনেই আছিল একমাত্ৰ ব্যৱস্থা।

জিণ্টু— আইতা মায়ে কৈছে আগৰ ৰজা-মহাৰজাসকলে হেনো হাতী, ঘোঁৰা আনকি নাৱত উঠিও যুদ্ধ কৰিছিল!

আইতা— তোমালোকে কেতিয়াবা উৰা জাহাজত উঠিছানে?

মিলি — অ' আইতা, আমি এবাৰ কলকাতালৈ যাওঁতে উৰাজাহাজেৰে গৈছিলোঁ।

কিছু সময়ৰ পাছত আইতাকে মিলি আৰু জিণ্টুক পাচলিৰ বাৰীলৈ লৈ গ'ল।

আইতা — আহা আমি বাৰীলৈ যাওঁ। তাত থকা পাচলি কেইবিধমান চিঙি আনো। সেইবুলি আইতাকে দুয়োকে দুটা খৰাহী হাতত তুলি দিলে। মিলি আৰু জিণ্টুৰে মনত খুব ৰং পালে। সিহঁতে বাৰীত সোমাই আইতাকৰ সৈতে তিয়ঁহ, ভেণ্ডী, জিকা আদি বিধে বিধে পাচলি ছিঙি খৰাহীত ভৰাই আনিলে।

আইতা — আহা, বেলি মূৰৰ ওপৰ পালেহি, ভাত খাবৰ পৰ হ'ল।

মিলি — বেলি মূৰৰ ওপৰ পালেহি মানে কি আইতা?




আইতা — 'অ' মই পাহৰিছিলোৱেই। বেলি মূৰৰ ওপৰ পালেহি মানে দুপৰীয়া হ'ল। আগৰ দিনত মানুহে ঘড়ীৰ সলনি বেলিটোলৈ চাই সময়ৰ উমান লৈছিল। সেইবাবে মই তেনেকৈ ক'লো। বাৰু এতিয়া কিমান সময় হ'ল, কোৱাচোন?

জিণ্টু — ১২ বাজিল আইতা।


মিলি আৰু জিণ্টু — (দুপৰীয়াৰ আহাৰ খাবলৈ আহি মিলি আৰু জিণ্টুৰে কিছুমান পুৰণি দিনীয়া কাঁহী-বাটি দেখি আইতাকক সুধিলে) আইতা, এনেকুৱা কাঁহী-বাটি আগতে আমি দেখা নাছিলোঁ, এইবোৰৰ নামবোৰ ক'বা নেকি?

আইতা — এই দুখন বানকাঁহী, এই চাৰিটা বানবাটি আৰু এইটো গাগৰী। এইবোৰ তোমালোকৰ আজো আইতাৰ দিনৰে কাঁহী-বাটি। মই সযতনে থৈ দিছোঁ।


পিছৰ দিনা সিহঁত আটায়ে মামাকৰ গাড়ীত উঠি কীৰ্তিচিহ্নবোৰ যেনে- ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, ঐতিহাসিক মন্দিৰ শিৱদৌল, জয়দৌল আৰু ৰজাদিনীয়া বিখ্যাত জয়সাগৰ পুখুৰী চাবলৈ গ'ল। মিলি আৰু জিণ্টুয়ে মন কৰিছিল যে প্ৰত্যেকটো কীৰ্তিচিহ্ন আৰু মঠ-মন্দিৰত নামফলক লগোৱা আছে। আহোম স্বৰ্গদেউসকলে এইবোৰ কেতিয়া আৰু কেনেকৈ প্ৰতিষ্ঠা কৰিছিল তাৰ ইতিহাসো চমুকৈ ফলকত লিখা আছে।

এনেদৰে আনন্দেৰে মিলি আৰু জিণ্টুৱে গৰমৰ বন্ধৰ দিনকেইটা মাক, আইতাক আৰু মামাকৰ লগত কটালে। মামাকে গৰমৰ বন্ধ খোলাৰ আগে আগে গাড়ীৰে সিহঁতক ঘৰত থ'লেহি।


কাৰেংঘৰ


ৰংঘৰ


তলাতল ঘৰ


জয়দৌল


শিৱদৌল


জয়সাগৰ পুখুৰী

DAILY ASSAM

**ওপৰৰ কথোপকথনখিনিৰ যোগেদি কি বুজিলা--**

- মিলি আৰু জিণ্টুৱে মাকৰ সৈতে শিৱসাগৰলৈ কিহেৰে গৈছিল ?
- মিলিহঁতে আইতাকৰ সৈতে কৰা আলোচনাত কি কি যান-বাহনৰ কথা উল্লেখ কৰা হৈছিল ?
- শিৱসাগৰলৈ আৰু কি কি বাহনৰে যাব পাৰি অভিভাৱকৰপৰা জানি লৈ লিখা।
- তোমালোকৰ ঘৰৰ পৰা ১০ কিলোমিটাৰ দূৰত্বলৈ কি কি বাহন চলে ?

**জানি লওঁ আহা**

যান-বাহনৰ সহায়ত আমি এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰিব পাৰোঁ। ৰিক্সা, চাইকেল, বাছ, ৰে'ল, উৰাজাহাজ আদিৰে আমি বিভিন্ন ঠাইলৈ যাব পাৰোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে মানুহে উন্নত মানৰ যান-বাহনৰ ব্যৱহাৰ কৰিব পৰা হৈছে। এনে ধৰণৰ এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰা কাৰ্যই হৈছে যাতায়াত। যাতায়াতৰ বাবে আমাৰ দেশত বিভিন্ন বাট-পথ,


ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ, জলপথ আৰু আকাশী পথ আছে। এই পথবোৰত বিভিন্ন ধৰণৰ যান-বাহন চলে। যান-বাহনৰ সহায়ত মানুহ আৰু বয়-বস্তু কঢ়িয়াই নিয়া ব্যৱস্থাই হৈছে পৰিবহণ ব্যৱস্থা। আমাৰ দেশত স্থল বা পথ-পৰিবহণ, জল-পৰিবহণ, ৰে'ল-পৰিবহণ, আকাশী-পৰিবহণ আৰু ৰজ্জু পৰিবহণ ব্যৱস্থা আছে। পৰিবহণ ব্যৱস্থাত আমি নানা প্ৰকাৰৰ যান-বাহন ব্যৱহাৰ কৰোঁ।

**দলত আলোচনা কৰি আৰু শিক্ষক-শিক্ষয়িত্ৰী/অভিভাৱকৰ পৰা জানি লৈ তলৰ কামবোৰ কৰা-**

- তোমালোকৰ ঠাইখনত অহা-যোৱা কৰিবৰ বাবে কি কি যান-বাহনৰ ব্যৱস্থা আছে?
- তোমালোকে জনা কিছুমান যান-বাহনৰ নাম লিখি তলত দিয়াৰ দৰে তালিকাভুক্ত কৰা।

| যান-বাহনৰ নাম | কেইচকীয়া | ক'ত চলে (জলপথ/স্থলপথ/ ৰে'লপথ/আকাশীপথ) |
|---|---|---|
| | | |

- ককা-আইতাহঁতক সুধি আগৰ দিনত তেওঁলোকে কি কি বাহনেৰে অহা-যোৱা কৰিছিল লিখা।
- মিলি আৰু জিণ্টুৰ মাকে কিহৰ টিকট সংগ্ৰহ কৰিছিল আৰু কিয়? দলত আলোচনা কৰি কোৱা।
- ৰে'ল ষ্টেছনৰ সময়সূচীত কি কি লিখা থাকে শিক্ষকৰ পৰা জানি লোৱা।
- মিলিৰ মাকে সংগ্ৰহ কৰা টিকটটোত কি কি লিখা আছিল? ৰে'লৰ টিকটৰ দৰে আৰু কি কি বাহনৰ বাবে টিকট সংগ্ৰহ কৰিব লাগে অভিভাৱকৰ পৰা জানি লৈ লিখা।





ৰে'লৰ টিকট

- মিলি আৰু জিণ্টুৱে আইতাকৰ ঘৰত দেখা পোৱা পুৰণিদিনীয়া কঁাহী-বাটিবোৰৰ নাম লিখা
- আগৰ দিনৰ আৰু আজি-কালিৰ বাচন-বৰ্তন কিছুমানৰ নাম লিখা।
- শিৱসাগৰলৈ গৈ মিলিহঁতে কি কি ঐতিহাসিক কীৰ্তি চিহ্ন চাইছিল? তাত আৰু অন্য কি কি পুৰণি কীৰ্তিচিহ্ন আছে?

## জানি লওঁ আহা

আহোম স্বৰ্গদেউ শিৱসিংহৰ নামত খন্দোৱা শিৱসাগৰ পুখুৰীৰ পাৰত গঢ়ি উঠা চহৰখনৰ নাম শিৱসাগৰ। এই চহৰখনৰ পৰাই জিলাখনেও শিৱসাগৰ নাম পায়। শিৱসাগৰ চহৰৰ পুৰণি নাম ৰংপুৰ। ৰংপুৰ আহোম ৰাজ্যৰ ৰাজধানী আছিল। শিৱসাগৰ চহৰৰ ওচৰে-পাজৰে আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰা অনেক কীৰ্তিচিহ্ন আছে। সেইবোৰ হ'ল— জয়সাগৰ পুখুৰী, গৌৰীসাগৰ পুখুৰী, শিৱদৌল, বিষ্ণুদৌল, দেৱীদৌল, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, নামডাঙৰ শিলৰ সাঁকো আদি।

মানচিত্ৰখনত কীৰ্তিচিহ্নসমূহ ক'ত ক'ত আছে বিচাৰি চাওঁ আহা—




➤ অভিভাৱক আৰু শিক্ষকৰ সহায়ত নিজৰ জিলাখনৰ বিষয়ে জানি লৈ তলৰ তালিকাখন পূৰ কৰা।

| জিলাখনৰ নাম | পৰিবহণ ব্যৱস্থাসমূহ | ঐতিহাসিক কীৰ্তিচিহ্নসমূহ |
|---|---|---|
| | | |

## অনুশীলনী

১। উত্তৰ লিখা

(ক) আগৰ দিনৰ তিনিবিধ বাচন-বৰ্তনৰ নাম লিখা।

(খ) শিৱসাগৰত থকা তিনিটা কীৰ্তিচিহ্ন নাম লিখা।

(গ) শিৱসাগৰত থকা ৰজাদিনীয়া পুখুৰী এটাৰ নাম লিখা।

(ঘ) তিনিবিধ যান-বাহনৰ নাম লিখা।

২। আগৰ দিনত মানুহে কিদৰে সময়ৰ উমান পাইছিল ?

৩। যাতায়াত ব্যৱস্থা বুলিলে কি বুজা ? তোমালোকৰ অঞ্চলত কি কি যাতায়াত ব্যৱস্থা আছে ?

৪। তলৰ শব্দসমূহৰ বিষয়ে চাৰি শাৰীকৈ বাক্য লিখা—

পৰিবহণ, ৰে'লগাড়ী, বাচন-বৰ্তন, যান-বাহন আৰু জলপথ

৫। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা।

| ক | খ |
|---|---|
| নাও | আকাশী পথ |
| উৰাজাহাজ | আলিবাট |
| ৰে'লগাড়ী | জলপথ |
| ঘোঁৰাগাড়ী | ৰে'লপথ |

৬। তোমালোকৰ ঘৰত ব্যৱহাৰ কৰা যিকোনো এবিধ বাচনৰ ছবি আঁকা।

◆◆◆◆◆

DAILY ASSAM